অহা বিধি-বিধানৰ সহায়তে অতি সুন্দৰ আৰু সুচাৰুৰূপে পৰিচালিত কৰে। পবিত্ৰতাক সদায় আগস্থান দি অহা ৰাভাসকলে আজিও বজাৰ, থানা, হাস্পতাল আদিলৈ গৈ ঘৰলৈ ঘূৰি আহিলে তুলসী পানীৰে পবিত্ৰ হৈ গা-ধুই লৈহে ঘৰৰ ভিতৰত প্ৰৱেশ কৰা নিয়ম আছে। লগতে মহিলাসকলে কাৰোবাৰ সন্তান জন্ম হোৱা বা কাৰোবাৰ মৰা-মৃত্যুলৈ গৈ আহিলে অকল চাবোনেৰে চুলি ধুই পূৰ্ণ পবিত্ৰ নহয় বুলি গেৰোক (ঘিলা) এবিধ লতা জাতীয় ফলৰ গুটি শিলৰ পতাত বতি তাৰে মূৰ ধুইহে শুচি হোৱা বুলি মানি আহিছে।

প্ৰকৃত ৰাভা সমাজ (চহৰৰ প্ৰভাৱ নপৰা)ত আজিও জন্ম, বিবাহ, মৃত্যু এই সকলোবোৰ অনুষ্ঠান কোনোধৰণৰ সংস্কৃত মন্ত্ৰ নপঢ়াকৈ নিজস্ব দেউৰী বা বায়ফাঙৰ দ্বাৰাই শুদ্ধভাৱে চলাই আহিছে। ৰাভাসকলৰ জন্ম, বিবাহ আৰু মৃত্যু পালন কৰা বিধি-বিধানবোৰ—

ৰাভাসকলৰ নিয়ম অনুসৰি কোনো এগৰাকী মাতৃয়ে সন্তান প্ৰসৱৰ আগতে সন্তানটো ভালে থকা আৰু সুস্থভাৱে প্ৰসৱ হোৱাৰ কাৰণে এটা দেৱতাক মানসা কৰাৰ ব্যৱস্থা কৰা হয়। এই দেৱতাক ৰাভাসকলে 'বায়মাবা' বা 'খেতৰ দেৱতা' বুলি কোৱা হয়। সন্তান প্ৰসৱ হোৱাৰ পিছতে এজন বায়ফাং বা দেউৰীৰ দ্বাৰা তো বুদা পিছাক অৰ্থাৎ ৰঙা ডেকেৰা কুকুৰাৰে এই পূজা কৰা হয়। কোনো এগৰাকী মাতৃৰ সন্তান প্ৰসৱৰ সময়ত গাঁৱৰ বৃদ্ধা মহিলা ধাই (আজিকালি আশা কৰ্মী বা নাৰ্ছ) জনীয়ে বহু কষ্ট কৰা বা অপবিত্ৰবোৰক হাত কৰাৰ কাৰণে গৃহস্থই তেওঁৰ ওচৰত পাপ কৰি থকা বুলি ভাবি জন্মৰ ১/২ সপ্তাহ বা কোনোবাই নাড়ী সৰাৰ পিছত মুচি হৈয়ে সেই ধাইজনীক মাতি ঘৰত অনুষ্টুপীয়াকৈ এটা অনুষ্ঠান পাতে। যি অনুষ্ঠানত সাধ্য অনুযায়ী খোৱা ভাত আৰু মদৰ উপৰিও কাপোৰ-কানি আৰু সামান্য এটা মাননি দি প্ৰায়শ্চিত্ত হৈ লোৱা হয়। ৰাভাসকলে এই নিয়ম ব্যৱস্থাক 'পাপবুচিকায়' বুলি কয়। পাপবুচিকায় অনুষ্ঠানৰ পিছত সন্তানটোৱে খাব পৰা ধৰণৰ সময় হ'লে আন এটা অনুষ্ঠান অনুষ্ঠিত কৰে। যাক কোৱা হয় 'তাছি গানকায়' বা হাত ধোৱা বুলি। অসমীয়া সমাজত যিটোক অন্নপ্ৰাসন বুলি কোৱা হয়।

বিবাহৰ ক্ষেত্ৰত ৰাভা সমাজত কেইবা প্ৰকাৰো বিবাহ আছে যদিও ৰাভা বিয়াৰ বিশেষ তাৎপৰ্য হ'ল 'তো' থাকায় বা কুকুৰা বলি দিয়া নিয়ম। জ্ঞাতী ৰাইজৰ উপস্থিতিত দুডাল কলগছ পুতি লৈ চাকি-বাতি জ্বলাই দৰা-কন্যাক বহুৱাই বায়ফাঙে ৰাভা মন্ত্ৰ মাতি ৰঙা ডেকেৰা কুকুৰা বলি দি বিয়া সম্পন্ন কৰা হয়। কিছু কিছু সমাজত দৰাৰ নামত এটা, কন্যাৰ নামত এটাকৈ মন্ত্ৰ মাতি বলি দিয়াৰ পিছত মুণ্ডহীন দেহ দুটাই একেলগ হৈ প্ৰাণ বায়ু ওলাই গ'লে তেওঁলোকৰ সংসাৰ সুখৰ হ'ব বুলি সিদিনাই ৰাজহুৱা কৰিছিল। লগতে কুকুৰা দুটাৰ দৰা-কন্যাৰ নামৰ কোনটোৰ প্ৰথমে প্ৰাণবায়ু গুচি যায় সেইজনৰে প্ৰথমে মৃত্যু হ'ব বুলি জানিব পৰা হৈ আহিছে।

**ৰাভাসকলৰ শ্ৰাদ্ধক্ৰিয়া ফাৰকান্তি ঃ** জন্ম আৰু বিবাহৰ ওপৰত ৰাভাসকলৰ যেনেধৰণে নিজস্ব পৰম্পৰা, ৰীতি-নীতি আছে তদ্ৰুপ শ্ৰাদ্ধ ক্ৰিয়াত বিশেষ ৰীতিৰে পতা হয়। ৰাভা সমাজত হঠাতে কাৰোবাৰ মৃত্যু হ'লে গৃহস্থই জ্ঞাতি ৰাইজক খুৱাব পৰাকৈ মদ-ভাতৰ ব্যৱস্থা কৰিব নোৱাৰিলে মৰাশটো জুই দিয়াৰ সলনি গাত খান্দি পুতি ৰখাৰ ব্যৱস্থা কৰে। গৃহস্থই যেতিয়া প্ৰয়োজনীয় মদ-ভাতৰ ব্যৱস্থা কৰিব পৰা হ'লে ৪/৫ দিনৰ পিছত ৰাইজক মাতি সেই পুতি ৰখা মৰাশটো উঠাই চিতাত তুলি জুই দিয়াৰ ব্যৱস্থা কৰা হয়। আজিকালি অৱশ্যে ইমান দৰিদ্ৰ লোক নথকাৰ ফলত এনে নিয়ম নোহোৱাৰ দৰে হৈছে। আনহাতে সমাজৰ কিছুমান গণ্য-মান্য লোকৰ মৃত্যুৰ পিছত তেওঁৰ শ্ৰাদ্ধ ক্ৰিয়াৰ কামটো অতি ধুমধামেৰে সৈতে গীত-মাতৰ মাজেৰে মৃত ব্যক্তিৰ নামত জীৱন কালৰ সময়ৰ গুণাগুণবোৰ গাই গাই সকলো ৰাইজক হেঁপাহ পলুৱাই ভোজ-ভাত খুৱাই এই অনুষ্ঠান অনুষ্ঠিত কৰে। এই অনুষ্ঠানৰ নামেই হ'ল 'ফাৰকান্তি'। সাধ্য অনুসাৰে কোনো কোনোৱে ৭ দিনলৈকে এই অনুষ্ঠান অনুষ্ঠিত কৰে। ৰাভাসকলৰ বিশ্বাস মতে মৃত্যু আত্মাৰ নামত আগবঢ়োৱা কাৰাই গুৰা আৰু ভাত শাকৰ ওপৰত যি পশু-পক্ষী, জীৱ-জন্তুৰ খোজৰ চিহ্ন বা চিন দেখা পোৱা যায়— মৃত্যু আত্মাই যি পুৰিও গৈ সেইটো জন্মলাভ কৰা বুলি মানি আহিছে।

এনেহেন বৈশিষ্ট্যৰে ভৰা ৰাভাসকলৰ লোকবিশ্বাস, পৰম্পৰা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, কৃষ্টি-সংস্কৃতিৰ ওপৰত গৱেষণাৰ জৰিয়তে বহুখিনি তথ্য লাভৰ যথেষ্ট সম্ভাৱনা লুকাই আছে। গৱেষক, গৱেষিকা তথা পণ্ডিতসকলে ৰাভা জনগোষ্ঠীৰ ওপৰত গভীৰভাৱে গৱেষণা কৰি অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰি তুলিবলৈ আহ্বান জনালোঁ।





**দেৰেন কছাৰী**
অৱসৰপ্ৰাপ্ত শিক্ষক

# বড়ো সংস্কৃতিৰ প্ৰসাৰ আৰু দুধনৈ অঞ্চলৰ ভূমিকা



সংস্কৃতি জীৱন ধাৰণৰ পথ অৰ্থাৎ Way of life। সংস্কৃতি হ'ল একো একোখন সমাজ, জাতি-গোষ্ঠীৰ লোকে সামাজিকভাৱে জড়িত থাকি জীৱন নিৰ্বাহ কৰি জন্মৰে পৰা মৃত্যুলৈকে কৰা সামাজিক দায়বদ্ধতাৰ কৰ্মৰাজিৰ ৰূপৰেখা। জাতি একোটাই সমাজ পাতি বসবাস কৰিলে সেই জাতিৰ সংস্কৃতি প্ৰকাশ পায়। জাতিটোৰ থকা-মেলা, খোৱা-লোৱা, পিন্ধা-উৰা, হাঁহি-কান্দোন, কথা-বতৰা, গীত-মাত, নাচ-গান আদি সুকীয়াভাৱে প্ৰকাশ পায়। সংস্কৃতিয়ে জীৱন নিৰ্বাহৰ পৰিৱেশ জীয়াই ৰাখে। E.B. Taylorয়ে কৈছে "Culture is that complex whole which includes knowledge, belief, moral, law, customs and any other capabilities and habits acquired by man as a member of society."

সংস্কৃতি যদিও স্থিৰ তথাপি সময়ত ই সালসলনি হয়, ৰূপ সলায়।

বড়োসকল কৃষিজীৱী লোক। অন্যান্য জাতি-গোষ্ঠীৰ দৰে বড়োসকলৰ স্বকীয় কলা-সংস্কৃতি আছে। বোৱা-কটা, পিন্ধা-উৰা, থকা-মেলা, বাদ্য-বাজনা, গীত-মাত, নাচ-গান আদিত স্বকীয়তা প্ৰকাশ পায়।

বড়ো কলা-সংস্কৃতি সাংগঠনিকভাৱে ১৯৪৯-৫০ চনত ব্ৰহ্মপুত্ৰৰ উত্তৰ অংশত আৰম্ভ হৈছিল। ইয়াৰ আগত বড়োসকলৰ গীত-মাতবোৰ মুখে মুখে চলি আহিছিল আৰু গীতৰ সৈতে সংগতি ৰাখি নাচ নাচিছিল। ১৯৪৯ চনত ধুবুৰী হাইস্কুলত পঢ়া ছাত্ৰ প্ৰসেনজিৎ ব্ৰহ্ম, সমৰ ব্ৰহ্ম চৌধুৰী, চিতলাকান্ত ব্ৰহ্ম আৰু শৰৎ ব্ৰহ্ম এওঁলোকে কোকৰাঝাৰত 'বৰ'নি অনছায় আফাৎ'

নামৰ এটা সংগঠন গঠন কৰি বড়োসকলৰ বাদ্য-বাজনা, গীত-মাত আৰু নৃত্য আদি সংগ্ৰহ কৰি প্ৰকাশ আৰু প্ৰচাৰৰ দিহা লয়। ১৯২১ চনত বড়ো ছাত্ৰ সন্মিলন গঠন কৰি বড়ো জাতিক যোগাই তোলাৰ কাম হাতত লৈছিল। তাৰে ফলস্বৰূপে এই লোকসকলে বড়োৰ বাদ্য-বাজনা, গীত গোৱা, নচা আদি যুৱকসকলক উৎসাহ যোগাইছিল। সেই সময়তে নীলেশ্বৰ ব্ৰহ্মাই ১৯৫১ চনত কলিকতালৈ গৈ বড়ো গীত ৰেকৰ্ডিং কৰি আনি বড়োসকলৰ মাজত প্ৰচাৰৰ দিহা কৰে। ১৯৫২ চনত প্ৰসেনজিৎ ব্ৰহ্ম, মোহিনী মোহন ব্ৰহ্ম, যোগেন্দ্ৰ নাথ ব্ৰহ্ম, মদাৰাম ব্ৰহ্মা আৰু নীলেশ্বৰ ব্ৰহ্মাৰ প্ৰচেষ্টাত 'বড়ো কৃষ্টি নাট্য সংঘ' গঠন কৰি বড়ো গীত-মাত আৰু নৃত্য চৰ্চা কৰিবলৈ লয়। সেই সময়ৰ পৰাই ওস্তাদ কামিনী কুমাৰ নাৰ্জাৰী আৰু জয় নাৰায়ণ ব্ৰহ্মাই কৃষ্টি দল গঠন কৰি গীত গোৱা আৰু নৃত্য কৰাৰ বহল প্ৰচাৰ কৰে। ১৯৫৪ চনত বিজনী বটুৰামাৰীত সতীশ চন্দ্ৰ বসুমতাৰীৰ পৰিচালনাত এখন কৃষ্টি অভিৱৰ্তন অনুষ্ঠিত হয়। অভিৱৰ্তনখনত অনিৰাম বসুমতাৰীয়ে সভাপতিত্ব কৰে। অভিৱৰ্তনত ১৯৫৫ চনত দিল্লীত অনুষ্ঠিত হ'বলগীয়া গণতন্ত্ৰ দিৱসত বড়ো সাংস্কৃতিক দল পঠিয়াবলৈ ৰামফলবিলৰ সেৰফাংগুৰিৰ বড়ো নৃত্য দলটোক নিৰ্বাচিত কৰিছিল। উক্ত কৃষ্টি দলটোক ১৯৫৫ চনত বড়ো বাৰ দলৰ সৌজন্যত দক্ষিণ পাৰলৈ অনিৰাম বসুমতাৰীয়ে আনি বড়ো নৃত্য প্ৰদৰ্শন কৰি দেখুৱাইছিল আৰু তাৰ পাছতে ১৯৫৬ চনৰ পৰা বড়ো বাৰ দলত 'কৃষ্টি সমিতি' নামে শাখা সমিতি গঠন কৰি আনুষ্ঠানিকভাৱে চৰ্চা আৰম্ভ কৰা হয়।

১৯৫৭ চনত উত্তৰ অঞ্চলৰ সামথাইবাৰী বড়ো সাংস্কৃতিক দলটোক দিল্লীৰ গণতন্ত্ৰ দিৱসত (২৬ জানুৱাৰীত) কামিনী কুমাৰ নাৰ্জাৰীয়ে লৈ গৈ 'বাগৰুম্বা' বড়ো নৃত্য প্ৰদৰ্শন কৰি এই দিৱসত শ্ৰেষ্ঠ দল হিচাপে স্থান লাভ কৰে। দক্ষিণফালে গোৱালপাৰা জিলা 'বৰ' বাৰ দল'ৰ অধীনত আনুষ্ঠানিকভাৱে বড়ো সংস্কৃতি চৰ্চা কৰি অহা হয়। বড়ো গীত, নৃত্য, বাদ্য-বাজনাৰ লগতে বোৱা-কটা, পিন্ধা-উৰাৰ স্বকীয় সাজপাৰৰ উজ্জ্বল পৰিৱেশ সৃষ্টি হয়। বড়ো গাওঁ সমূহত বড়োসকলৰ পিন্ধন-উৰণ, মাদল, বাঁহী (খাম চিফুং)ৰ ৰেঙণি আৰু গীত-নৃত্যৰ পৰিৱেশ দেখিবলৈ পাই ১৯৮৭ চনত বড়ো ছাত্ৰ সন্মিলনীও দুধনৈত উপস্থিত হৈ Bodo Fa (বড়োৰ পিতৃ) উপেন্দ্ৰ নাথ ব্ৰহ্মাই দুধনৈক 'বড়ো সংস্কৃতিৰ বাগিছা' (Garden of Bodo Culture) বুলি কৈ যায়।

বড়োসকল কৃষিজীৱী লোক। চাইবেৰিয়াৰ শিৱ ভক্ত লোক হিচাপে শিৱক শিৱায়-বাথৌব্ৰায় বুলি কোৱা হয়। বাথৌব্ৰায়কে ঈশ্বৰ গণ্য কৰি পূজা-অৰ্চনা কৰি আহিছে। মুখে মুখে চলি অহা বাথৌৰ পঞ্চ তত্ত্বযুক্ত সংস্কৃতিক বিশ্বাস কৰি সত্যক বিচাৰি পাইছে, 'য'ত সত্য তাতেই ঈশ্বৰ' বুলি।

| | |
|---|---|
| থাইগিৰ খং আ খংবা | ভাবাৰ্থ— ঔৰ খলব পাঁচটা |
| বাথৌ শিৰিয়া শিৰিবা | বাথৌ গছৰ শিৰ, পাঁচ শিৰ |
| বাথৌনি বান্দীয়া বান্দীবা | বাথৌৰ বান্ধ পাঁচ পাঁচ প্ৰকাৰ |
| চিফুংনি গুদুংয়া গুদুং বা | বাঁহীৰ বিন পাঁচটা |
| বড়ো বী ৰায়নি বীসৌনবৌ ফুংবা। | বাথৌ বুঢ়াৰ বচনো পাঁচটা |

বাথৌ = বা-পাঁচ, গী—আত্মা, থৌ-দ = পৰম আত্মা (Supreme Soul)। According to Bodos belief God is one, but He = There. এজনেই তিনিজন— এক ঈশ্বৰেই সৃষ্টিকৰ্তা, পালনকৰ্তা আৰু সংহাৰকৰ্তা। এই বিশ্বাস কৰিয়েই বড়োসকলে সমাজ পাতি আহিছে।

বড়োসকল চীন মংগোলীয় গোষ্ঠীৰ লোক। চাইবেৰিয়াৰ পৰা প্ৰব্ৰজন হোৱা এই লোকসকল শিৱ উপাসক লোক। মংগোলীয় তিব্বত বৰ্মী এই লোকসকল। পণ্ডিতসকলৰ মতে যীশুখ্ৰীষ্টৰ জন্মৰ ২,০০০ বছৰৰ পূৰ্বে চাইবেৰিয়াৰ পৰা আহি মংগোলীয় অঞ্চলত বসবাস কৰি জীৱন ধাৰণৰ সম্বল বিচাৰি চাৰিওফালে সিঁচৰতি হয়। ড° সুনীতি কুমাৰ চেটাৰ্জীৰ মতে, মংগোলীয় লোকৰ এটা দলে তিব্বতত প্ৰায় এহেজাৰ বছৰ বসবাস কৰাৰ পিছত ভূটান আৰু নেপাল সোমায়। পণ্ডিতসকলৰ মতে, মংগোলীয় লোকৰ নেপাল আৰু ভূটানৰ পূব অঞ্চলত বসবাস কৰিবলৈ লোৱা এই দলটোৱেই মংগোলীয় গোষ্ঠীৰ সৰ্ববৃহৎ ঠাল আছিল। এই সকলৰ মাজত আছিল বড়ো, ৰাভা, গাৰো, তিৱা, ডিমাচা, তিপ্ৰা (ত্ৰিপুৰী), কাৰ্বি আৰু মিচিং। কালক্ৰমত এওঁলোক অসম, মণিপুৰ, নাগাপাহাৰত সোমায়। এইসকলৰ মাজত বড়ো, ৰাভা, ভৈয়ামত আৰু গাৰো সকলে পাহাৰৰ ওচৰা-ওচৰিকৈ বাস কৰিবলৈ লয়। এওঁলোকৰ প্ৰত্যেকৰে সুকীয়া ভাষা কলা-সংস্কৃতি আছে.

বড়ো সংস্কৃতিয়ে ১৯৫৬ চনৰ পাছৰে পৰা দক্ষিণ গোৱালপাৰা আৰু দক্ষিণ কামৰূপত কৃষ্টি-সংস্কৃতি দল গঠন হৈ বড়ো কৃষ্টিৰ বিকাশ কৰে। পুৰণা কলা-কৃষ্টিৰ বাহিৰেও যুগৰ লগত খাপ খুৱাই গীত-নৃত্য ৰচনা কৰি প্ৰদৰ্শন কৰা হয়। প্ৰয়াত সতীক দৈমাৰীয়ে 'বৰদৈচিলা' (বাৰদৈ ছিখলা) নৃত্য সংগত কৰি নৃত্য ৰূপ দিয়ে আৰু প্ৰয়াত ভূমেশ্বৰ বসুমতাৰীয়ে 'ৰণ চণ্ডী' নৃত্য-গীত ৰচনা কৰি গীত-নৃত্যৰ ৰূপ দিয়ে আৰু দক্ষিণাঞ্চলত কৃষ্টি-সংস্কৃতিৰ জাগৰণ আনে।

১৯৮১ চনত বড়ো সাহিত্য সভাৰ ২২তম্ অধিৱেশনখন দুধনৈ কলেজ খেলপথাৰত জাকজমকতাৰে সু-শৃংখলভাৱে অনুষ্ঠিত হয়। বৃহৎ আকাৰৰ অধিৱেশনখনি ওখ-পাখ মাটিৰ মঞ্চ, আচল বহল ৰভা, সুসজ্জিত প্ৰদৰ্শনী মণ্ডপ, শৃংখলাবদ্ধ স্বেচ্ছাসেৱক বাহিনীৰ পৰিচৰ্যাত বড়ো সাহিত্য সভাৰ নেতৃবৃন্দৰ সাহিত্যিক কমল কুমাৰ ব্ৰহ্ম, মনোৰঞ্জন লাহাৰী আৰু ভবেন্দ্ৰ বসুমতাৰী এওঁলোকে ক'বলৈ বাধ্য হৈছিল— 'দুধনৈ আ বড়ো মুনলাই আফাদখৌ ফেদেৰবায়', অৰ্থাৎ দুধনৈয়ে বড়ো সাহিত্য সভাক ডাঙৰ কৰিলে। ইয়াৰ আগতে ১৯৬৮ চনত বড়ো সাহিত্য সভাৰ নৱম অধিৱেশন দুধনৈত অনুষ্ঠিত হৈ গৈছিল আৰু অন্যান্য অধিৱেশনো এই পৰ্যায়ৰ হোৱা নাছিল।

সুঁৱৰিব লাগিব দুধনৈ কলেজ স্থাপনৰ কথা। ১৯৭২ চনৰ



জুনৰ প্ৰথম তাৰিখত দুধনৈ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। ১৯৭৮ চনৰ ৭ আগষ্ট তাৰিখে মাটিয়া শৰণাৰ্থী শিবিৰৰ ৮নং আৰু ৯নং দুধনৈ শিবিৰৰ ৩০০ পৰিয়াল স্থানান্তৰ হওঁতে খালী হোৱা স্থান খাৰা ৰাজহ চক্ৰৰ ১৪৬ বিঘা মাটিত দুধনৈ মহাবিদ্যালয়ৰ আনুষ্ঠানিকভাৱে দুৱাৰ মুকলি কৰা হয়। ৰাজ্যৰ ভিতৰতে পিছ পৰি থকা দুধনৈ অঞ্চলৰ দুখীয়া খেতিয়কৰ পৰা ১০ কিলোগ্ৰাম আৰু সৰ্বোচ্চ ১ মোন ধান আৰু টকা হিচাপে সৰ্বসাধাৰণ ৰাইজৰ পৰা ১৩/২০ টকাৰ পৰা সৰ্বোচ্চ ১২৫.০০ টকা বৰঙণি উঠোৱাৰ সিদ্ধান্ত লোৱা হয়। ১৯৭১ চনৰ ২৬, ২৭, ২৮ আৰু ২৯ নৱেম্বৰত ক্ৰমে খাৰা, শিয়ালমাৰী, থেকাছ আৰু দুধনৈ চহৰৰ পৰা আৰম্ভ কৰি অঞ্চলৰ গাঁওসমূহত তোলাৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।

ধন সংগ্ৰহকাৰী দলত আছিল প্ৰাক্তন বিধায়কদ্বয় মণিশংকৰ বসুমতাৰী আৰু হাকিম চন্দ্ৰ ৰাভা, বাখাৰু ৰায়, পবিত্ৰ চৰকাৰ, শৰৎ কছাৰী বড়ো আৰু পূজাৰু ৰাভা। আন আন দিনৰ ধন সংগ্ৰহত সহযোগকাৰীসকলৰ মাজত আছিল SDC হীৰেন নাথ, PWD বিভাগৰ SDO হৰেন ব্ৰহ্ম, আগ্ৰহী যুৱক জগদীশ খাখলাৰী, ৰবেন দাস, চিত্ত দাস আৰু অমূল্য ৰায় প্ৰমুখ্যে গাঁৱলীয়া নেতৃবৃন্দ। নেহাত দুখীয়া লোকসকলকো জড়িত কৰি সময়মতে দুধনৈ কলেজখন স্থাপন হোৱাৰ বাবেই বড়ো সাহিত্য সভাৰ ২২তম্ দুধনৈ অধিৱেশনৰ সফলতা। কলেজৰ জৰিয়তে শিক্ষিত লোকৰ সমাহাৰ ঘটিল। অধ্যক্ষ-উপাধ্যক্ষক জড়িত কৰি কলেজ প্ৰাংগণত অনুষ্ঠিত হোৱা বড়ো সাহিত্য সভাৰ ২২তম্ দুধনৈ অধিৱেশনত কলেজৰ অধ্যাপক-অধ্যাপিকা সমন্বিতে দুধনৈ ল'ৰা হাইস্কুল আৰু দুধনৈ ছোৱালী হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগত আৰু স্থানীয় অঞ্চলবাসী ৰাইজৰ সহযোগত সফল সমাপ্তি ঘটে। আৰ্থিক আৰু শৈক্ষিক দিশত পিছপৰা এই অঞ্চলত কলেজ স্থাপনৰ অবিহনে এই সফলতা হৈ নুঠিলহেঁতেন।

বড়োসকলৰ কলা-সংস্কৃতিৰ গীত-মাতত পূৰ্ব পুৰুষৰ কীৰ্তিকলাপ সুঁৱৰি পৰিৱেশন কৰা নৃত্য-গীত, যুদ্ধ-বিগ্ৰহৰ মাজেৰে ৰাজ্য পৰিচালনা কৰা নৃত্য-গীত প্ৰকাশ পায়। যেনে— বড়ো ৰাজ্যৰ স্মৃতি থকা ডিমাপুৰক সুঁৱৰি গোৱা নৃত্য-গীত—

ধনশ্ৰী দৈমা জিৰি সোনা মায়না ডিমাপুৰী
নৗং মানো উন্দু গাদুৰী অহ' ই য়ৈ
নৗ মানো উন্দু গাদুৰী।

অ' আইয়ৈ ডিমাপুৰী
নৗং মানো উন্দু গাড়ুৰী অ'ই আইয়ৈ
নৗ মানো উন্দু গাড়ুৰী।

ভাবাৰ্থ— বোঁৱতী নৈ ধনশ্ৰী সোণাময়ী ডিমাপুৰী
তুমি কিয় নিদ্ৰালু আই অ'ই
তুমি কিয় নিদ্ৰালু
হে আই ডিমাপুৰী
তুমি কিয় নিদ্ৰালু

যুদ্ধ-বিগ্ৰহৰ মাজেৰে ৰাজপাট খাই অহা পূৰ্ব-পুৰুষক সুঁৱৰি ডেকা-গাভৰুৱে গীত-নৃত্য প্ৰদৰ্শন কৰে। যুদ্ধ-বিগ্ৰহৰ গীতি-নৃত্য (ঢাল-তৰোৱাল লৈ) ৰণচণ্ডী নৃত্য

জৗং দাওহায়াও থাংনি জৗং দাওহায়াও থাংনি
জৗহৗলাও চিখিলা জৗং দাওহায়াও থাংনি
লাদো দে লৗগৗফৗৰ বিমা বিফানি বৰ খৌ
ৰৗংগী ৰৗংগী জৗং দিনৈ দাওহায়াও থাংদনি।

ভাবাৰ্থ— যাওঁ আমি যুদ্ধলৈ যাওঁ আমি যুদ্ধলৈ

ডেকা-গাভৰু যাওঁ আমি যুদ্ধলৈ
লোও দে লগৰীসকল মাক-বাপেকৰ আশীৰ্বাদ
উচাহ-উলাহেৰে আজি যাওঁ আমি যুদ্ধলৈ।

বড়োসকলে কৃষিকৰ্ম কৰি খাই-বৈ আনন্দ-উলাহেৰে গীত গায় আৰু নৃত্য কৰে। গীত-নৃত্যৰ জৰিয়তে কলা-সংস্কৃতি প্ৰকাশ পায়।

নৃত্যগীত—আয়ো দৈজালাং বৌথৌৰনি খামানি গাহায়া
জানায় দেৎনায়, দাওগানায়নি ৰাহা গিবিয়া
ছৌফৈদৌং হনৈ দৈ বাৰ লানানৈ গাহায় মাওনায়নি
দে লৌগীফৌৰ দে খৌথিয়া জুথুমনি দে
হবা ফুমুনদী আদামীৰা মায় গায়নি দে শাৰীজানানৈ
ছৌফৈদৌং আয়ো-গায়নায় বৌথৌৰা।

ভাবাৰ্থ— আই অ' বাৰিষা বতৰ কৰ্মপ্ৰধান বতৰ
খাই-ব'ই ডাঙৰ-দীঘল হে আগুৱাই যোৱাৰ সুযোগ দিয়া
আহি পাইছে সৌৰা বতাহ পানীলৈ মুখ্য কৰ্মৰ বতৰ
দে লগৰী সকল দে বিধান আজুৰি লওঁ দে
মাটি চাহ কৰিছে ককাইহঁতে ধান ৰুব দে শাৰী হে
আহি পাইছে আই অ' ৰুৱাৰ বতৰ।

বড়োসকলে সূতা কাটি নিৰ্ধাৰিত ৰঙৰ সূতাৰে কাপোৰ বৈ পিন্ধা-উৰা কৰাটো বড়ো সংস্কৃতিৰ আন এটা চানেকি। বোৱা-কটা আৰু ফুল তোলাৰ বাবে প্ৰশিক্ষণ বা শিকি লোৱাৰ প্ৰয়োজন। তাৰেই সুযোগ বড়ো গাভৰুসকলে গোট খাই শিকা নৃত্য প্ৰদৰ্শনেৰে গীত নৃত্যত কলা-সংস্কৃতি প্ৰকাশ পায়।

জমুমনায় মেথায়—
অ' লৌগীফৌৰ জৌঙৌ দছে এবাও জ' জানি ফৈ
বাৰদৌং বাৰ ঔৱা দেস্বায় বাৰদৌং বাৰ ঔৱা দেস্বায়
গৌচৌম গুফুৎ খুন্দুং নানানৈ
মৌজাং হি খুংনো চৌলৌৰনি ফৈ জৌঙৌ দিনৈ
গৌজা গৌচৌম খুন্দুং লানানৈ
খাঠাওখ্রা গেদেং খাঠাওখ্রা উন্দৈ
চৌলৌংনি ফৈ জৌঙৌ দিনৈ
অল্লাখৌ জৌং দানো ৰুংনায় বুঙি
সানজালায় গীন।
গুফুং, গৌমৌ খুন্দুং লানানৈ চাম্ফেৰ গনখা লানানৈ
খৌৰীমনায়খো নায়নানৈ
চৌলৌংনি ফৈ জৌঙৌ দিনৈ।

আহা লগৰীসকল অৰ্থাৎ— এখন্তেক আমি ইয়াত লগ হওঁ। আহা, বতাহ বলিছে, বাহ হেলিছে, ক'লা-বগা সূতা লৈ কাপোৰ ব'বলৈ শিকো আহা আজি! ৰঙা ক'লা সূতা লৈ ডাঙৰ ফুল সৰু ফুল তুলিবলৈ শিকো আহা আজি। বগা, হালধীয়া ৰং মিলাই লৈ চামফেৰ গনখা (ফুলতুলা সঁজুলি) লৈ শিকো আহা আমি।

বছৰৰ শ্ৰেষ্ঠ ব'হাগ বিহুত বড়োসকলে গ্ৰাম্য পৰিৱেশত গীত-মাতেৰে নৃত্য প্ৰদৰ্শন কৰি আনন্দ উপভোগ কৰে।

বৌথৌৰনি দমাংসি বৈসাগী গাহায়
জানায় লুংনায় ৰংজানায় গৌসী হৗসাৰনায়
ইয়া আঁই ইয়া আঁই আঁৰে আঁৰে হা।
গামি গামি খাম দামী গামি গীমখাঙী
থৰ ৰি ললিত সিফুংনি ৰাওআও গৌসৗআ ৰংজায়ী
ইয়া আঁই ইয়া আঁই আঁৰে অৰৈ হা।

মাদলৰ গীম গীমনি শব্দৰ জংকাৰ, বাঁহীৰ সুৰৰ লহৰত হিয়া-মন উজাৰি নাচি অৰৈ অৰৈ অৰৈ ভংগিমাৰে নৃত্য কৰে।

বসন্ত কালৰ গীত-মাতেৰে নৃত্য কৰে—
বৈসাগুনি বাৰা বৈসাগুনি বাৰা
জৌংনি ৰংজানায়া জৌংনি ৰংজানায়া
আয়ো দাও খুলু গাবনায়া গৌদৈ গৌজৌন ৰাওয়া
বিবাৰ গৌদান বাৰনায়া ৰৌংগী মুন খাংদৌং
হায়লা হুইলা মৌছা মৌছা বেছে ৰংজা দৌং।
দে লৌগীফৌৰ ৰংজাদে দে গৌগীফৌৰ মৌছাদে
মিনি মিনি ছফায়দৌং জুংনি বৈসাগুৱা।

অৰ্থাৎ— বসন্ত কালৰ বতাহ আৰু কুলি চৰাইৰ মাতত ব'হাগৰ বতৰ উজাৰি উঠিছে। নতুনকৈ ফুলা ফুলে আনন্দ উল্লাস আনিছে, দে নাচোদে, লগৰীসকল ব'হাগ আহিছে আনন্দ কৰোঁ দে, নাচো দে, হাঁহি হাঁহি আহি পাইছে আমাৰ ব'হাগ।

বড়োসকলৰ জাতীয় বাদ্য-বাজনা উল্লেখ কৰি নৃত্য-ভংগিমা দি নচা নৃত্য-গীত আছে—
অৰৈ অৰৈ অৰৈ হাবাব
খাম দামদৌং ভ্ৰিউ ভ্ৰিউ চিফুং সুদৌং ৰিউ ৰিউ
জ'থা দামদৌং থিং থিং জৌং মৌসায়ৗ গিদিং গিদিং
বাইদি বাইদি সেৰেঞ্জা ৰিংখাংদৗ
ফৈৰৌ লৌগী ফৈ মৌসানি
জ'থা থৰখা-গংগনা বাইদি ৰাওআ গাবখাংদৗ
ফৈৰৌ লৌগী ফৈৰৌ ফৈ মৌসানি।

ভাবাৰ্থ— মাদলৰ শব্দ বাজি উঠিছে, বাঁহীৰ সুৰ ৰিঙিয়াই উঠিছে, তালৰ শব্দ থিং থিং বাজিছে, তাৰেই লহৰত আমি ঘূৰি ঘূৰি নাচো। জ'থা (তাল) থৰখা গগণা বাজি উঠিছে, আহা লগৰী সকল নাচো আহা।

জাল, জাকৈ, খালৈ লৈ মাছ ধৰা গ্ৰাম্য জীৱনৰ এক প্ৰথা। বড়োসকলে মাছ ধৰা, জাকৈ মৰাৰ গীত-নৃত্য প্ৰদৰ্শন কৰি বড়ো সংস্কৃতিৰ ৰূপ দি আহিছে। না গুৰনায় মেযায়— মাছ মৰা নৃত্য-গীত—
ফৈ ফৈ ফৈ বইবৌ সাৰি জানানৈ
জুম জুম থাংনি জৌং জুম জুম থাংনি জৌং জৌং

জে জেখায় খবায় লানানৈ
দবা-দেনা বেংথেনানি
গাগ্লি গুগ্লি হায়নানি
দে গুদ দে গুদদে লাদোনা
খোবাইআও সৌনানি।
হনি বালি খলনা ৰৌ কাতালা খুৰসায়া
দে হায়দ'দে হায়দ'দে হায়দ'দে
খোবায়াও সৌনানি লা খোবায়ও সৌনানিলা—

ভাবাৰ্থ— আহা লগৰীসকল, জুম পাতি জাল জাকৈ খালৈ লৈ বিণৰ ক'ণা ক'ণি আগুৰি লৈ চুত্কি গছকি মাছ মাৰো আহা। সৌৰা শ'ল, বালি, ৰৌ, কাতালা, কৰহা মাছ ধৰি লোৱা, জাকৈ মাৰি খালৈত ভৰাই লোৱা।

তামোল-পাণ বড়ো সমাজৰ আন এটা সাংস্কৃতিক দিশ। বিয়া-সবাহত আলহী-অতিথি, ভদ্ৰলোকক আহ্বান কৰোঁতে বড়োসকলে তামোল-পাণ দি নিমন্ত্ৰণ কৰিছিল। বিবাহৰ কন্যা ঠিক কৰি গয়খাওনায়— পাণচিনি কৰিবলৈ যাওঁতে অন্যান্য সামগ্ৰীৰ সৈতে চাৰিটা টোপোলা কৰি দুজনী গাভৰুৱে বোকোচা কৰি নিব লাগে। প্ৰতিটো টোপোলাত পাঁচ গণ্ডা তামোল আৰু পাঁচ গণ্ডা পাণ থাকিব লাগে। কিবা কাৰণত যিকোনো গিৰিয়েক-ঘৈণীয়েকৰ মাজত এৰা-মেলা হ'লে দুয়োপক্ষই সমাজৰ মুৰব্বীৰ সাক্ষাতত দুয়োজনে পাণ ফালি (পাণ চিৰাচিৰি) এৰা এৰি হ'ব লাগে।

**বড়োসকলৰ বৈৰাথি নৃত্য—**

বৈৰাথি নৃত্যত নৃত্য কৰি কৰিয়েই সভাৰ মঞ্চলৈ উঠি গৈ তামোল-পাণ দি অতিথি আহ্বানৰ নৃত্য নাচে।

এই বৈৰাথি ললিয়া— ঐ বৈৰাথি লনিয়া
নৌংনি খিবু এল' এল' গয় খাওনায়খৌ
জৌংলায় জালিয়া ঐ জৌংলায় জালিয়া।

ভাবাৰ্থ— মই বৈৰাথি লনিয়া তপিনা চুই চুই তোমাৰ লেতেৰা

হাতেৰে কটা তামোল আমি আৰু নাখাওঁ।

১৯৫৭ চনত বড়ো কলা-সংস্কৃতিত বাগৰুম্বা নৃত্য প্ৰদৰ্শন কৰি দিল্লীৰ গণতন্ত্ৰ দিৱসত কামিনী নাৰ্জাৰীৰ দলে প্ৰথম ৰাষ্ট্ৰীয় দল হোৱাৰ পিছত ১৯৮৬ চনত হায়দৰাবাদত অনুষ্ঠিত হোৱা উৎসৱত ৰাষ্ট্ৰীয় যুৱ মহোৎসৱৰ সাংস্কৃতিক অনুষ্ঠানত 'বাৰদৈ সিখ্লা' নৃত্য প্ৰদৰ্শন কৰি সৰ্বশ্ৰেষ্ঠ দল হিচাপে প্ৰথম পুৰস্কাৰ লাভ কৰে। উক্ত মহোৎসৱত ছোভিয়েট ৰাছিয়াৰ আমন্ত্ৰিত পৰ্যবেক্ষক এজনে এই বড়ো সাংস্কৃতিক দলটোক ছোভিয়েট ৰাছিয়াত অনুষ্ঠিত হ'বলগীয়া ভাৰতীয় সাংস্কৃতিক অনুষ্ঠানলৈ নিয়াৰ বাবে নিৰ্বাচিত কৰি গৈছিল। কিন্তু তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ সদিচ্ছাহীনতাৰ বাবে বড়ো সাংস্কৃতিক দলৰ পৰিৱৰ্তে কলিয়াবৰৰ বিহু দল এটাক পঠিয়াইছিল, যিটো দলে ৰাছিয়াৰ উক্ত সাংস্কৃতিক অনুষ্ঠানত প্ৰৱেশ কৰিবলৈ সুবিধা নাপালে। ১৯৯৯ চনত উত্তৰ-পূৰ্বাঞ্চলৰ হৈ ১৪০ জনীয়া সাংস্কৃতিক দলৰ হৈ যোৱা শ্ৰীমুকুল ৰাভাই গণতন্ত্ৰ দিৱসত অনুষ্ঠিত পেৰেড আৰু নৃত্যত 'বৰদৈচিলা' (বাৰদৈ সিখ্লা) নৃত্য প্ৰদৰ্শন কৰি দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ বাহিৰেও ২০০২ চনত উৰিষ্যাৰ কটকত অনুষ্ঠিত হোৱা All India Classical and Folk Dance Competitionত দুধনৈ শিয়ালমাৰীৰ হৈ শ্ৰীকনিষ্ক হাজোৱাৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ হৈ ৰণচণ্ডী নৃত্য পৰিৱেশন কৰি শ্ৰেষ্ঠ হৈ ৰাষ্ট্ৰীয় পৰ্যায়ত National Levelৰ চতুৰ্থবাৰৰ বাবে বড়ো নৃত্যত বঁটা লাভ কৰে।

দুখীয়া খাটি খোৱা সংস্কৃতিবান ব্যক্তি তথা গুৱাহাটীলৈ গৈ পাথৰ ভাঙি, ৰিক্সা চলাই জীৱন নিৰ্বাহ কৰা শ্ৰীক্ষীৰোদ খাখলাৰীয়ে হাড়ভঙা পৰিশ্ৰমৰ মাজতো নিজৰ প্ৰতিভা প্ৰকাশ কৰি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয় ৰবীন্দ্ৰ ভৱনৰ সৈতে যোগসূত্ৰ ৰাখি দুধনৈ অঞ্চলৰে বড়ো সাংস্কৃতিক দল লৈ গৈ চৰকাৰী সাংস্কৃতিক অনুষ্ঠানত নৃত্য প্ৰদৰ্শন কৰি আৰু পিছলৈ গুৱাহাটীত বড়ো সাংস্কৃতিক দল গঠন কৰি চৰকাৰী সাংস্কৃতিক অনুষ্ঠানবোৰত কৃষ্টি প্ৰদৰ্শন কৰাই নিজৰ প্ৰতিভা বিকাশত ব্যস্ত হৈ পৰে। দল চালক আৰু নৃত্য পৰিচালক হিচাপে পাৰ্গতালি দেখুৱাব পৰা শিল্পী ক্ষীৰোদ খাখলাৰীয়ে কামিনী কুমাৰ নাৰ্জাৰীৰ পিছতে শিল্পী হিচাপে সংগীত নাটক অকাডেমীৰ বঁটা লাভ কৰোঁতা দ্বিতীয়জন বড়ো সাংস্কৃতিক শিল্পী।

দুধনৈ অঞ্চলত সামাজিকভাৱে কলা-সংস্কৃতিৰ বহল প্ৰচাৰ হোৱাৰ সময়তে আকাশবাণী কেন্দ্ৰত শিল্পী হিচাপে স্বীকৃতি লাভ কৰিছে কেইজনমান কণ্ঠশিল্পীয়ে। তেওঁলোকৰ মাজত আছে— শ্ৰীমতী কণ্ঠেমুনী পাটগিৰি, শ্ৰীমতী প্ৰণিতা কছাৰী, শ্ৰীমতী চায়ামালী দৈমাৰী, শ্ৰীমতী সুজুমা দৈমাৰী, শ্ৰীপ্ৰদীপ পাটগিৰি আৰু প্ৰয়াত হেমচন্দ্ৰ বসুমতাৰীয়ে।

ব্ৰহ্মপুত্ৰৰ দক্ষিণাঞ্চলত বড়ো কলা-সংস্কৃতি চৰ্চা, প্ৰকাশ আৰু বিকাশৰ মূলতে কলা-সংস্কৃতিত আধিপত্য থকা লেখক, নাট্যকাৰ, সমাজ সংস্কাৰক প্ৰয়াত অনিৰাম বসুমতাৰী, কৃষ্টি সংস্কৃতিৰ লগত লাগি থকা ওস্তাদ প্ৰয়াত নগেন দৈমাৰী, প্ৰয়াত শিৱচৰণ দৈমাৰী, গোৱালপাৰা বড়ো সামাজিক অনুষ্ঠান গোৱালপাৰা 'জিলা বৰ' বাৰ দল, কলা-সংস্কৃতিৰ আনুষ্ঠানিক ব্যৱস্থা।

বড়ো সংস্কৃতিৰ অন্যান্য দিশ উল্লেখ কৰিব পাৰি— বড়োসকলৰ বিবাহ অনুষ্ঠান, বিয়াগীত, খেৰাই পূজা, গাৰ্জা পূজা, লাঙা পূজা, তিথি-পাৰ্বন, ফকৰা-যোজনা, জন্ম-মৃত্যুৰ সামাজিক ব্যৱস্থা আদি।

■ লেখক শ্ৰীকছাৰী দুধনৈ নিকটৱৰ্তী আমজোঙা এম. ই. স্কুলৰ প্ৰধান শিক্ষক আছিল আৰু তেওঁ ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা লাভ কৰে ইং ২০০১ চনত। তদুপৰি তেওঁ ২০০৮ৰ পৰা ২০১০ চনলৈ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী পদত আছিল। শ্ৰীকছাৰীয়ে বড়ো আৰু অসমীয়াত অনেক লেখা-মেলা কৰি আহিছে।



প্ৰণৱ কুমাৰ বৰ্মন

বিশিষ্ট কবি

# এজনী কণমানি ছোৱালীৰ প্ৰাৰ্থনা

মই মা      পঢ়াশালীলৈ যাম
মই মা      লিখিম পঢ়িম

মা মোক কিতাপ ফলি আনি দিবি
মা মোক দুডাল বেণী গুঁঠি দিবি
অলপ তেল ঘঁহি দিবি চুলিত
গালত ঘঁহি দিবি স্নো

পুৱা পঢ়াশালীলৈ যাম
আবেলি উভতি আহিম

আৰু হাই-উৰুমি নকৰো মা
ওলায়ো নাযাও বাটলৈ
নেখেলো খেল
দিনটো অনাই বনাই ঘূৰি ভাল নালাগে মা
বাটেদি পঢ়াশালীলৈ যোৱা সমনীয়া ছোৱালীবোৰ
দেখিলে
মোৰো যাবলৈ মন যায়
কেতিয়াবা মই সিহঁতৰ পিছে পিছে গৈ গৈ
সিহঁতৰ পঢ়াশালী পাও
সিহঁতে যে মা কিতাপৰ কথা মাতি আকাশ কঁপায়
কিমান যে মজা কথা
তৰাৰ কথা, নদীৰ কথা
ৰজাৰ কথা, ৰাণীৰ কথা
ধাননিত অজগৰে এজনী ছোৱালীক বিয়া পতাৰ কথা

অ আ ক খ    এ বি চি ডি
আৰু ঝুলনাত উঠি খেলে
ঘাঁহনিতে গংগাৰ ৰাণী একাঁঠু পানী
আৰু ৰে'লগাড়ী চলি যায়
সকলোকে শুৱায় বুঢ়া-বুঢ়ীৰ মেলে
কিমান যে মজা মা কিমান যে মজা

মা পঢ়াশালীলৈ যাবলৈ দিবি?
মা মোক বিক্ৰী কৰি নিদিবি।



রস রচনা



# উল্টা পুৰাণৰ কথা

ড° ৰজত চন্দ্ৰ ৰাভা
সহযোগী অধ্যাপক, অসমীয়া বিভাগ

প্ৰেম অমৃতৰ নদী। এৰা, প্ৰেম এক মধুৰ শব্দ। প্ৰেমে জীয়াই থকাৰ প্ৰেৰণা দিয়ে। অকল জীৱশ্ৰেষ্ঠ মানুহৰ ক্ষেত্ৰতেই নহয়, আন আন জীৱ-জন্তুৰ মাজতো প্ৰেম থকা দেখা যায়। তৰু-তৃণ, ভূত-প্ৰেতৰ মাজতো প্ৰেম বিৰাজমান। গ্ৰহ-নক্ষত্ৰ সকলোতে প্ৰেমৰ অবাধ ৰাজত্ব।

প্ৰেম! ইয়াক এনেদৰে বিশ্লেষণ কৰিব পৰা যায়— প্ৰে- প্ৰেৰণ, ম-মৰম। অৰ্থাৎ পৰস্পৰে পৰস্পৰক মৰম প্ৰেৰণ কৰাই হ'ল প্ৰেম।

প্ৰেমৰ পৰিণতি দুটা। এটা হ'ল মিলন আনটো হ'ল বিচ্ছেদ।

প্ৰেমৰ সফল পৰিণতি হ'ল 'মিলন'। আনহাতে প্ৰেমৰ বিফল পৰিণতি হ'ল 'বিচ্ছেদ'।

বিফল পৰিণতিৰ কথা বাদ দিলোৱেইবা, সফল পৰিণতিৰ অন্য নাম বিবাহ।

'বিবাহ' এই শব্দটো বিশ্লেষণ কৰিলে এনে হ'ব ঃ

বি- বিৰাট

বা- বাধা

হ- হকা

বিবাহৰ ক্ষেত্ৰত প্ৰেমিক-প্ৰেমিকাৰ মাজত বিৰাট হকা বাধা আছে। সেইবাবে বিবাহ মানে বিৰাট বাধা হকা।

দৰা-কন্যাৰ জন্মৰ ৰাশি মিলিব লাগিব। স্ব ৰাশি বা মিত্ৰ ৰাশি হ'লে বিবাহ কৰিব পাৰি, বৈৰী ৰাশি হ'লে কেঞ্চেল।

তাৰপিছত দৰা-কন্যাৰ গণ নিৰ্ণয়। তিনিটা গণ আছেঃ দেৱ গণ, নৰগণ আৰু ৰাক্ষস গণ।

দৰা যদি ৰাক্ষস গণ হয় আনহাতে কন্যা যদি দেৱগণ হয় তেন্তে বিবাহ কেঞ্চেল। কাৰণ দেৱতা আৰু ৰাক্ষসৰ মাজত সদায় কাজিয়া হয়। আৰু তেনে দৰা-কন্যাৰ মাজত বিবাহ হ'লেও সদায় কাজিয়া হ'ব। তেনেদৰে দৰা দেৱগণ আৰু কন্যা ৰাক্ষসগণ হ'লেও বিবাহ নিষিদ্ধ।

দৰা-কন্যাৰ একেগণ হ'লে উত্তম যোৰা বোলা হয়। দেৱগণ আৰু নৰগণ বা নৰগণ আৰু ৰাক্ষস গণ হ'লে মধ্যম যোৰা বোলে। আনহাতে দেৱগণ আৰু ৰাক্ষসগণ হ'লে অধম বোলে।

দৰা-কন্যাৰ ৰাশি অনুসৰি বৰ্ণ নিৰ্ণয় কৰা হয়। বিছা, মীন আৰু কৰ্কট ৰাশিক ব্ৰাহ্মণ বৰ্ণত ধৰা হয়। সিংহ, তুলা আৰু ধনু ৰাশিক ক্ষত্ৰিয় বৰ্ণ, মেষ, কুম্ভ আৰু মিথুন ৰাশিক বৈশ্য বৰ্ণ আৰু বৃষ, কন্যা আৰু মকৰ ৰাশিক শূদ্ৰ বৰ্ণ বোলা হয়। দৰা-কন্যাৰ একে বৰ্ণ হ'লে ভাল। দৰাৰ বৰ্ণ কন্যাতকৈ উচ্চ জাতৰ হ'লে ভাল। দৰাতকৈ কন্যাৰ বৰ্ণ উচ্চ হ'লে বেয়া। সেইদৰে বৰ্ণ নিৰ্ণয় কৰা হয়। নামৰ আদ্য আখৰ অনুযায়ী বৰ্গ নিৰ্ণয় কৰা হয়। দৰা-কন্যাৰ একে বৰ্গ হ'লে উৎকৃষ্ট যোৰা আছে। গৰুড় আৰু সাপ, বিৰাল আৰু এন্দুৰ, সিংহ আৰু হস্তী, কুকুৰ আৰু বিৰাল, কুকুৰ আৰু ছাগলী বেয়া। বাকীবোৰ মধ্যম বুলি গণ্য কৰা হয়।

বিবাহৰ পৰিণতি স্বৰূপে দৰাজন কন্যাৰ গিৰীয়েক হয়। গিৰি-মানে পৰ্বত। গিৰি শব্দৰ সৈতে এক সন্ধি হৈ 'গিৰি'+এক=গিৰীয়েক হৈছে। অৰ্থাৎ বিবাহৰ পাছত দৰাজন পৰ্বতৰ দৰে গহীন গম্ভীৰ হৈ পৰে, চঞ্চল নহয়। সেই কাৰণে তেওঁ গিৰীয়েক।

আনহাতে কন্যাগৰাকীয়ে দৰাৰ পত্নী, ঘৈণী, পৰিবাৰ আদি নাম পায়। ইয়াৰে 'পৰিবাৰ' শব্দটো অধিক ব্যৱহাৰ হয়। যেনে- 'আপোনাৰ পৰিবাৰ ভালে আছেনে?' 'মোৰ পৰিবাৰে আকৌ মিঠাই খাই বৰ ভাল পায়', 'তোমাৰ পৰিবাৰক নানিলা দেখোন?' 'পৰিবাৰৰ পছন্দই মোৰ পছন্দ' ইত্যাদি।

পৰিবাৰ— যদি আপোনাৰ পৰিবাৰ অলপ এলেহুৱা হয়। ধৰক আপুনি অফিচ-কাছাৰী, স্কুল-কলেজ কোনোৱা এটা চাকৰিত মকৰল। তেনেহলে সময়মতে কামত উপস্থিত হ'ব লাগিব। আপুনি পুৱা উঠি ইফাল-সিফাল কৰি দেখিলে যে— আপোনাৰ শ্ৰীমতী মানে পৰিবাৰে এতিয়াও সুকোমল বিচনাত নিদ্ৰাৰত। গভীৰ নিদ্ৰাৰত হৈ থকাৰ কাৰণ কেবাটাও হ'ব পাৰে। তাৰে অন্যতম দূৰদৰ্শনৰ জনপ্ৰিয় ধাৰাবাহিক নিশা দুপৰলৈ উপভোগ কৰা। সি যিয়ে নহওক। আপুনিতো সময়মতে কামত যাবই লাগিব। আপুনি পৰিবাৰক সুধিলে- হেৰা! আজি নুঠা নেকি?

পৰিবাৰ---- (চকু দুটা বৰ কষ্টকৈ আধা মেলি) উস্!----- মূৰটো---------- অলপ ----------- বিষাইছে। ----------- আৰু ------- অলপ----- শুব--------- দিয়া না। (চকু মুদি শুই থাকিল)

পৰিবাৰে যদি অলপ জ্বৰ উঠিছে বা অইন কিবা বেমাৰৰ কথা ক'লেহেঁতেন। ধৰক জ্বৰ উঠিছে বুলি ক'লে আপুনি পৰিবাৰৰ সুকোমল কপালখনতে হাত ফুৰাই জ্বৰ কিমান চাব পাৰিলেহেঁতেন। কিন্তু মূৰ বিষাইছে বুলিলেতো আপুনি মূৰত হাতখন দি কিমান বিষাইছে চাব নোৱাৰে। বাঃ মানিব লাগিব দেই আপোনাৰ পৰিবাৰৰ বুদ্ধিটো।

ইফালে মৰমৰ পৰিবাৰৰ প্ৰতি মৰম নিগৰি আপুনি লাহে লাহে কিটচেনলৈ সোমাই গ'ল আৰু দুজনৰ বাবে অলপ চাহ বনাই পৰিবাৰে উঠিলে খাব বুলি নিজৰ ভাগৰ চাহ কাপত চুমুক দিলে!

কিছু পৰৰ পাছত পুনৰ আপুনি মাতিলে— 'উঠা। চাহ কাপ খাই ল'লে ভাল লাগিব ছাগে। মুখ হাত ধুই লোৱা।' নাই পৰিবাৰৰ কোনো সঁহাৰি নাই। ইফালে কামলৈ যাবলৈও সময় হ'ব। এনেকুৱা পৰিবাৰ হ'লে উপায় নাই। পুনৰ লাহেকৈ কিটচেনত প্ৰৱেশ কৰি পুৱাৰ সাজৰ বাবে কি কি আছে চাই ল'লে। পৰিবাৰৰ মুখলৈ চাই থাকি লাভ নাই। নিজে ভাত সাজৰ ব্যৱস্থা কৰিব লাগিব। পৰিবাৰক সুধিলে— 'তুমি নুঠিবা নেকি?' পৰিবাৰ— 'হা। মূৰটো বিষাই আছে যে।' গিৰীয়েক— 'হ'ব বাৰু। তুমি অলপ ৰেষ্ট কৰা। মই ভাতকেইটা উঠাই দিওঁ। তোমাৰ কাৰণেও দিম নেকি?'

পৰিবাৰ— 'অলপমান দিয়ক। মূৰৰ বিষটো ভাল পালে পিছত খাম।'

গিৰীয়েকে ভাত-পানী খাই সুধিলে — 'দৰাই আনিব লাগিব নেকি?'

পৰিবাৰ— 'নালাগে নেকি? অলপ পিছত ভালেই পাম কিজানি।'

গিৰীয়েক— 'হ'ব তেনেহলে, মই যাও। তুমি ভাল পালে উঠি মুখ-হাত ধুই খাবা। চাহ বনাই থোৱা আছে। থেকেৰা টেঙাৰে মাছৰ জোল বনাই থৈছোঁ আৰু আলু পিটিকা আৰু একো নাই। খাবা। মই আহিলোঁ।'

গিৰীয়েকে কামলৈ গ'ল। অলপ পাছতে পৰিবাৰে সুকোমল বিচনা ত্যাগ কৰি মুখ-হাত ধুই গিৰীয়েকে বনাই থোৱা চাহ কাপ গৰম কৰি লৈ বিস্কুট দুখন হাতত লৈ দূৰদৰ্শনৰ বুটামটো খুলি দিলে। তেতিয়া দূৰদৰ্শনত প্ৰভাতী খবৰ দি আছিল। গিৰীয়েকে বনাই থৈ যোৱা চাহ কাপ বৰ তৃপ্তিৰে খাই খাই প্ৰভাতী খবৰ শুনিলে। তাৰ পাছত গা-পা ধুই ওচৰৰ দুই-এঘৰত ইটো সিটো মহলা মাৰি গিৰীয়েকে বনাই থৈ যোৱা থেকেৰা টেঙাৰ মাছৰ আঞ্জা আৰু আলু পিটিকাৰে উদৰ পূৰাই খালে। খাই উঠি পুনৰ দূৰদৰ্শনত কথাছবি চাই থাকোতে চকু দুটাই হেঁচি ধৰা যেন অনুভৱ কৰাত পুনৰ সুকোমল শয্যাত শয্যাগত হ'ল। পৰে বিচনাত বাৰে বাৰে সেইবাবেইটো তেওঁ পৰিবাৰ।

*(কেৱল হাস্যৰসৰ উদ্দেশ্যেৰেহে এই লেখা)*

## সপোনৰ অগ্নিগড়

ড° নিৰূপা ৰয় বৰুৱা
সহযোগী অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ



মূৰত অসহনীয় গধুৰ
বোজা এটা লৈ
মই গৈ আছো
বতাহৰ সোঁতে সোঁতে
ভিন্নৰঙী স্বপ্ন এটাই
মোক মেৰিয়াই ধৰে

শৈশৱ আৰু কৈশোৰৰ
নোদোকা অতীত স্মৃতিবোৰে
মোক বিন্ধে

স্বপ্ন দুঃস্বপ্নৰ পৃথিৱীখনে
মোক গিলিব খোজে

অৰ্থহীন কিবা এটাৰ
তাড়নাত মই আগবাঢ়ো
চকুৰ অন্ধকাৰত
শূন্যতাৰ পাহাৰ
ছিন্ন-বিচ্ছিন্ন হয়
সপোনৰ অগ্নিগড়
পৃথিৱীক সোধা
হেৰাই যাব নেকি
ছন্দোময় প্ৰাণৰ পোহৰ

সময়নে দুঃসময়
চকুৰ পতাত
ক্ষীণ জ্যোতিকণা
ৰুদ্ধ পৰাণত বন্যা নামে
হেৰাই যায় সুখৰ
সেই পানীপিয়া চৰাই।

## স্মৃতিৰ পাতত মোৰ মা

সিদ্ধাৰ্থ ৰাভা
স্নাতক ষষ্ঠ ষাণ্মাসিক, (কলা শাখা)



অন্তহীন মৰম
মোৰ কণমানি হৃদয়ত
কোনোদিন মচিব নোৱৰাকৈ
স্মৃতি হৈ থাকি গ'ল।

মা,
তোমাৰ বিনে জীৱন
নহয় সোণালী
সৃষ্টিৰ সপোনেও থমকি ৰয়
তোমাৰ অনুপস্থিতিত
তুমিয়ে অনন্য সাৰথি
এই ধৰাৰ বুকুত,
কিন্তু
তুমি যে হেৰাই গ'লা
ভৰা ঘৰখন উদং কৰি
কোনোবা অচিন দেশলৈ।
মই মৌন, বাক্‌ৰুদ্ধ
বিশাল জনসমদলৰ মাজতো
মই যেন নিঃসঙ্গ
হৃদয়ৰ নিভৃত কোণত
সাঁচি ৰখা তোমাৰ স্মৃতি
তাৰেই আঁকিছো
তোমাৰ এখন ছবি।

## আকৌ সৰু হৈ যাব পৰা হ'লে...

কল্পজ্যোতি নাথ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

দুখবোৰ আগতে মোৰ নাছিল
পখিলাৰ পিছত উৰি ফুৰোতে
পিতায়ে উৰলা কামিজৰ জেপত কঢ়িয়াইছিল
দুসেৰ চাউলৰ দাম

চিন্তাক্লিষ্ট দুচকুত আছিল
এখিলা উকা বহী পাতত
মোৰ বাবে এটা সপোন
আৰু মোৰ বুকুত

মোৰ বুকুত ডাঙৰ হোৱাৰ বাসনা।
আজি দুখবোৰ মোৰ লগৰীয়া
পিতায়ে দিয়া উৰলি যোৱা চাদৰৰ আঁচলত
আঁটি আঁটি বান্ধো
সেই একেই
দুসেৰ চাউল আৰু এটা উকা বহীপাতৰ দৰ
য'ত মই এদিন এটা সপোন আঁকাৰ কথা আছিল।।


## কাংক্ষিত বৰযুণজাক

বিকশিতা কলিতা
স্নাতক পঞ্চম ষাণ্মাসিক, শিক্ষা বিভাগ

ৰিম্‌ঝিম ৰিম্‌ঝিম্
নূপুৰ বজাই
ঐক্যতানেৰে
কাংক্ষিত বৰযুণজাক
ধূলিৰ ধুমুহাৰ
দৰ্প চূৰ্ণ কৰি
শাঁত পেলালে
তপ্ত ধৰণী,
উজলি উঠিল
কৃষকৰ মুখৰ হাঁহি
উৰ্বৰা হ'ল
সোণ গুটি গজা
হেঁপাহৰ পথাৰখনি।



# ক বি তা




## নাৰী

### জিতুমণি কলিতা

স্নাতক দ্বিতীয় ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

যদি এনেদৰে চলি থাকে
ধৰ্ষণ, নাৰী হত্যা
এদিন আমি লুটিয়াব লাগিব
ইতিহাসৰ পৃষ্ঠা।
সংজ্ঞা বিচাৰি চলাথ কৰিব লাগিব
নাৰী কি ?
অভিধানে দিব নাৰীৰ সংজ্ঞা
কিন্তু, কোনে ক'ব
নাৰীৰ গোপন মনৰ কথা
সৃষ্টিৰ আঁৰৰ বেদনা...!
সম্ভ্ৰান্ত ঘৰৰ একুৰাৰিয়ামত
নাচি উঠিব বৰ্ণিল নাৰীদেহ
মিউজিয়ামত ভাঁজে ভাঁজে সোমাই থাকিব
বিচিত্ৰ সজ্জাৰ নাৰীদেহ।
তাকে চাই শাঁত পেলাব
পাষাণ হৃদয়ে জৈৰিক ক্ষুধাৰ
নৰপিশাচৰ পৃথিৱীত
নাৰী যে ভোগৰ সামগ্ৰী।
যদি এনেদৰেই চলি থাকে
নাৰীৰ ওপৰত বৰ্বৰতা
এদিন সকলো স্তব্ধ হৈ যাব
সৃষ্টি, কৃষ্টি, সভ্যতা।



## ফাগুন

### ঋতুৰাজ ৰাভা

স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা শাখা)

ফাগুন
তুমি এক অনন্য সৃষ্টি
প্ৰকৃতিৰ মধুৰ আবেদনত
পচোৱাই চুইছে তোমাৰ হিয়া
নৱ নৱ আশাৰে আহিছে সময়
ব্যাকুল মনত জাগিছে প্ৰণয়।
ঘিট্ মিট্ আন্ধাৰত পূৰ্ণিমাৰ ৰাতি
উজ্জ্বল আভাৰে চঞ্চলা হাঁহি
ৰঙা ৰঙা শিমলু পলাশৰ মাজেৰে
ৰঙীনকৈ মুখখনি তুমি ৰাংঢালী।

## সৃষ্টিৰ প্ৰেৰণা হৈ আহিবা নৱবৰ্ষ

### উদিত ৰয়

উচ্চতৰ মাধ্যমিক
দ্বিতীয় বৰ্ষ (কলা শাখা)

সময়ৰ ডেউকাত উৰি যোৱা এটি বৰ্ষ
পাৰ হ'ল জীৱনৰ এখিলা পৃষ্ঠা,
কিছু সুখ, কিছু বিষাদৰ মুহূৰ্ত
মাথোঁ স্মৃতি হৈ ৰৈ গ'ল অনুভৱত।

প্ৰৱাহিত সময়ৰ বুকুত আঁকো স্বপ্নৰ ৰামধেনু
গুণগুণাওঁ আশাৰ গান,
পুঞ্জীভূত কৰোঁ জীৱনৰ অভিজ্ঞতাবোৰ।
সমাজৰ তেজৰ কণিকাত
সিঁচি দিয়া ভিন্নতাৰ বিষাক্ত বীজবোৰে
নিঃশেষ কৰিছে সমন্বয়ৰ বান্ধোন
স্খলন ঘটিছে বিশ্বাসৰ, মানৱতাৰ।

বিদায় দিব বিচাৰিছোঁ
অমানিশাৰ সেই মুহূৰ্তবোৰ
আঁকোৱালি ল'ব বিচাৰো
আমাৰ সমৃদ্ধিশালী সংস্কৃতি
হেঁপাহবোৰে য'ত প্ৰাণ পাই উঠিব
কুঁহিপাতত তিৰবিৰাব
স্নিগ্ধ নিয়ৰৰ টোপালবোৰ।
হে বিগত বৰ্ষ
বিদায় পৰত মেলি দিছোঁ দুহাত
আকৌ আহিবা শান্তিৰ চৰাইজনী হৈ
সমন্বয়ৰ মালা গাঁথি
মানৱতাৰ নৌকাত
সৃষ্টিৰ প্ৰেৰণা হৈ আহিবা নৱবৰ্ষ।

## ব'হাগ বিহুৰ আদৰণি

### হিৰামণি ৰাভা

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

বসন্ত মানেই
ব'হাগৰ আগমন...
মন-প্ৰাণ মতলীয়া কৰা ব'হাগ।
উৰুঙা উৰুঙা মনত
প্ৰাণৰ সঞ্চাৰ কৰি
অবুজ ভাষাৰে
শিহৰণ তোলা
ব'হাগ...
ব'হাগ মানেই
অফুৰন্ত শক্তি,
প্ৰেমৰ
চেনেহৰ।

সঁচাকৈয়ে পালেহি
অসমীয়াৰ হিয়াৰ আমঠু
ব'হাগৰ বিহুটি
ব'হাগ মানেই
মন ৰাই-জাই কৰা
বতৰ,
নতুনক আদৰাৰ
সময়।
লঠঙা গছবোৰৰ গাত
এতিয়া কুঁহিপাত মেলিছে
বাৰীৰ পিছফালে
লাজৰ ওৰণি তুলি
কুলিয়ে মাতিছে
ব'হাগৰ আগমনৰ যেন
বাৰ্তা বিলাইছে।
ঘৰে-বাহিৰে
বাজি উঠে উছৱৰ গীত
হৃদয়তো এতিয়া
বসন্তৰ সুৰ
অসমীয়াৰ তেজে তেজে
বৈ আছে
মৰমৰ ব'হাগৰ বিহুটি।



# আই অসমী

**ৰত্না নাথ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

আই অসমীয়ে কান্দিছে আজি
তেজৰ বন্যাত উটি
প্ৰতিখন হৃদয়ে বিচাৰিছে
শান্তি মাথো শান্তি।
নালাগে আৰু নিনিবি তঁহতে
নিৰীহজনৰ প্ৰাণ
গাব বিচাৰো মুক্ত মনেৰে আমি
ঐক্য শান্তিৰ গান।
ভায়ে ভায়ে আজি কন্দল লগালে
বৰ বৰ নেতাহঁতে
সোণালী অসমীৰ বুকুত জুই জ্বলালে
বিদেশী শতৰুৱে।
আৰু নাথাকে শুই অসমীৰ সন্তান
তুলি ল'ব হেংদান
শুনি ল শতৰু আমাৰ এই আহ্বান
তহঁতো হ সাৱধান।

# নিদ্ৰামগ্ন মাছবোৰ

**নিকিতা সৰকাৰ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ


কোনোবাই ৰাতি ঘাটত জাল মাৰিছিল
জালত লাগিছিল নিদ্ৰামগ্ন মাছবোৰ
জালত লাগি মাছবোৰৰ টোপনি ভাঙিছিল
ছায়ামূৰ্তি এটাই জালখন চপাই আনিছিল পাৰলৈ।।
মাছবোৰক ৰুক্ষ হাতেৰে ছায়ামূৰ্তিটোৱে
জালৰ পৰা এৰুৱাই
সুমুৱাই থৈছিল খালৈ এটাত।
শুকাই গৈছিল নদীৰ জীপাল টৌবোৰ,
খালৈৰ ভিতৰত জঁপিয়াই জঁপিয়াই
মাছবোৰে ইটোৱে সিটোক জনাইছিল
একেটি খবৰ,
জুপুকা মাৰি কিয়নো
ঘাটত বহি থাকে বগলী।



# আশা

**চয়নিকা শীল**
স্নাতক দ্বিতীয় ষাণ্মাসিক,
অসমীয়া বিভাগ

নিঃসঙ্গতাই কাবু কৰা
ক্লান্ত আৰু উদাস সন্ধিয়াতো
বুকুৰ কোনোবা কোণত
উজ্বলি উঠে
নোপোৱাক পোৱাৰ আশা।
তোমাৰ কথাই যেতিয়া
আমনি কৰে মোক বাৰে বাৰে
বুকুখন কঁপি উঠে
অভিমান আৰু শূন্যতাই
ধূসৰ কৰি তোলে সময়
অজানিতে
তোমাৰ স্মৃতিবোৰ
দুগালে বাগৰে
নীৰৱে নিঃশব্দে।
দিন, মাহ বাগৰি যায়...
স্মৃতিৰ বোজাটো ডাঙৰ হয়
ক্ৰমাৎ...
গভীৰ হয়
তোমাক পোৱাৰ আশা।



# দুধনৈ মহাবিদ্যালয়

**মিঠুমণি ৰায়**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

মোৰ মৰমৰ মহাবিদ্যালয়খনি
কেনেকৈ থাকিম বাৰু তোমাক এৰি
তোমাক লৈ গঢ়িলোঁ সুখৰ সপোন
তুমিয়েই হ'লা মোৰ অতিকে আপোন
তুমিয়েই দিছা মোক প্ৰেৰণা জীৱনৰ
তোমাৰ বুকুতেই আছে ক'ত স্মৃতি মৰমৰ।
দিয়া মোক সাহস জীৱন গঢ়াৰ
মোক দিয়া সৌৰভ বিয়পি পৰাৰ
আনিব পাৰো যাতে তোমাৰ গৌৰৱ কঢ়িয়াই
আশীৰ্বাদ কৰা মোক যাবলৈ আগুৱাই।।

# শেৱালিৰ সুবাস

**মানসজ্যোতি নাথ**
স্নাতক দ্বিতীয় ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

নিমাত নিতাল
গভীৰ নিদ্ৰাত মগ্ন সকলো
জোনটিয়ে উজাগৰে থাকি
পোহৰ বিলাইছে
খিৰিকীৰে ৰ' লাগি জোনটিলৈ চালোঁ,
হঠাৎ এক মিঠা সুৱাস বৈ আহিল,
আস্ কি এয়া!
এয়া দেখোন পদূলিৰ শেৱালী জোপাৰ পৰা
ভাহি অহা
আমোলমোল চিনাকি গোন্ধ
মায়াময় ৰাতি
শেৱালীৰ সুৱাসত ক'ৰবাত বাজি উঠিছে
প্ৰেমৰ সুৰ,
কোনোবাই কাণে কাণে যেন কৈ গ'ল
শৰৎ আহি পাবৰ হ'ল।
জোনাক ৰাতিৰ এই
শেৱালীৰ সুৱাস
কি যে ভাল লগা
হৃদয়ত যেন বোৱাই আনিলে
আনন্দৰ বন্যা।

# ক বি তা




## স্মৃতি

**ৰেখা বৰ্মন**

স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা শাখা)

তোমাৰ স্মৃতিবোৰ
আজিও বুকুত সাৰটি
পাৰ কৰিছোঁ প্ৰতিটো দিন
আৰু ৰাতি
মোৰ সকলো মুহূৰ্তৰ সাক্ষী
উজাগৰী ৰাতিৰ লগৰী
তুমি দি যোৱা সেই মিঠা সপোন
তুমি কোৱা প্ৰতিটো কথা
মোৰ মনত আজিও
তাহানিৰ দৰেই সজীৱ।
স্মৃতিবোৰে আমনি কৰে
তোমাৰ মিঠা কথাবোৰে
জীৱনৰ দীঘল পথছোৱা
মসৃণ কৰি তোলে
হঠাৎ বৰষুণৰ ধল নামে।
তোমাৰ স্মৃতিবোৰ
বুকুত বান্ধি আজিও
আছোঁ মই জীয়াই
তুমি নজনাকৈ, তুমি নেদেখাকৈ
মাথোঁ তোমাৰ বাবে।



## মৰম এজাক ধুমুহা

**বন্দিতা ৰায়**

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

তিৰবিৰাই থকা আকাশখনলৈ চোৱানা
কি যে ধুনীয়া লাগিছে
জোনাকৰ কাষত থকা এটুকুৰা ক'লা ডাৱৰে
যেন মাতিব ধৰিছে এজাক মিঠা বৰষুণক
নীলা আঁচলৰ ফাঁকে ফাঁকে বৰষুণৰ
টোপালবোৰে হাঁহিছে আৰু ক'বলৈ ধৰিছে
প্ৰেয়সী হ'বানে তুমি মোৰ?
মোৰ দুচকুত বাৰে বাৰে যেন কৈছে
মৰম এজাক ধুমুহা।
জোনাক তুমি কোৱানা
মোৰ দুগালত গোলাপৰ পাহিৰে
মৰম এজাক সানি দিবলে'।
মই নাজানো হৃদয়ৰ কিমান কাষত
মোৰ ঠাই
দুচকুত ভাঁহি আহে জোনাকৰ বৰষুণ
তোমাৰ কথা ভাবি এতিয়াও মই উচুপি উঠো
দিনে-ৰাতি তোমাক হৃদয়ত ৰাখোঁ
আৰু হঠাৎ ভাব হয়
মৰম এজাক ধুমুহা।

## মা-দেউতা

**বিনোদ শৰ্মা**

স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা শাখা)


চিৰদিন তোমালোকৰ ওচৰত
মই ঋণী
তোমালোকৰ বাবেই মই দেখিলোঁ
এই ধুনীয়া জগতখনি
আৰু পালো মৰম।
সঁচাকৈ মা-দেউতা
তোমালোক মোৰ অতি মৰমৰ
তোমালোকৰ হৃদয় এখনি আকাশ,
বিশাল সাগৰ।
দুখতো কোলাত
তুলি লোৱা আদৰেৰে
তোমালোকক পালে
আৰু নেলাগে একোকে।
তোমালোকৰ মোক লৈ
কত যে সপোন......
মা, তোমাৰ মৰমত
পাওঁ মই শক্তি
দেউতাৰ আশীৰ্বাদে মোক
কৰি তোলে সাহসী।

## ডায়েৰী

**মৰমী বসুমতাৰী**

স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

এখন ডায়েৰী
য'ত সযতনে ৰখা আছে
মোৰ জীৱনৰ বিৱৰণী।
কাকো ক'ব নোৱৰা
বুকু গধুৰ কৰি ৰখা
জীৱনৰ প্ৰতিটো সুখ-দুখৰ কথা,
অতীত হৈ পৰা প্ৰতিটো ঘটনা
ডায়েৰীৰ পাতে পাতে খোদিত হৈ আছে
মনৰ অযুত আশা।
মোৰ শৈশৱৰ কাহিনী,
যৌৱনৰ লগৰী
বাস্তৱৰ কঠিন মুহূৰ্তৰ সাৰথি,
এইখনেই হ'ল মোৰ
মৰমৰ ডায়েৰী।




# বিজ্ঞান বিস্ময়

**কীৰ্তি কমল ৰাভা**
স্নাতক ষষ্ঠ যাণ্মাসিক (বিজ্ঞান শাখা)



আমি দৈনন্দিন জীৱনত সকলো সময়তে বিজ্ঞানৰ ধাৰণা ব্যৱহাৰ কৰি আহিছো। আমাৰ প্ৰতিটো কাৰ্যতে বিজ্ঞানৰ বিশেষ ভূমিকা আছে আৰু মানুহৰ জীৱনত ঘটা কিছুমান ঘটনাৰ আঁৰতো বিজ্ঞানৰ বিশেষ ভূমিকা দেখা যায়। তাৰে কিছুমান ঘটনাৰ বিষয়ে মই লিখিব লৈছো।

**১। পিঁয়াজ কাটিলে চকুপানী ওলায় কিয় ?**


**উত্তৰঃ** আমি সকলোৱে জানো যে পিঁয়াজত নাকত আৰু চকুত বেজ্‌বেজাই যোৱা এটা গুণ আছে। পিঁয়াজত দুবিধ ছালফাৰযুক্ত পদাৰ্থ থাকে। এই পদাৰ্থ দুবিধৰ নাম হৈছে থাইঅ'ছালফিনেট আৰু থাইঅ'ছলিফনেট। এই দুবিধ পদাৰ্থই বেজবেজোৱা গুণটোৰ সৃষ্টি কৰে। এই পদাৰ্থসমূহ বৰ সহজে বাষ্পলৈ ৰূপান্তৰিত হয়। পিঁয়াজ এটা কাটিলে এই পদাৰ্থবোৰ খুব খৰকৈ নিৰ্গত হৈ বায়ুমণ্ডলৰ চাৰিওফালে বিয়পে, ফলত আমাৰ চকুত এটি পোৰণিৰ সৃষ্টি হয় আৰু চকুপানী ওলায়।

**২। ফিট্‌কিৰি দিলে পানী চাফা হয় কিয় ?**

**উত্তৰঃ** ফিট্‌কিৰিক 'পটাছ এলাম' বুলিও কোৱা হয়। ইয়াৰ ৰাসায়নিক নাম 'পটাছিয়াম এলুমিনিয়াম ছালফেট' আৰু ৰাসায়নিক ফৰ্মুলা $KAl/So_4)_2 12H_2O$। ফিট্‌কিৰি যদিও প্ৰাকৃতিক অৱস্থাত পোৱা যায়, তথাপিও গৱেষণাগাৰটো ইয়াক প্ৰস্তুত কৰিব পাৰি। ই এবিধ বগা, চকচকীয়া দানাকাৰ কঠিন পদাৰ্থ। ফিট্‌কিৰি পানীত দ্ৰৱণীয় অৰ্থাৎ ই পানীত গলি যায়। পানীত গলি গৈ ফিট্‌কিৰিয়ে এলুমিনিয়াম হাইড্ৰ'ক্সাইড নামৰ এবিধ ধনাত্মক সঞ্চাৰিত পদাৰ্থ প্ৰস্তুত কৰে। লেতেৰা পানী ভাগত থকা বোকাজাতীয় পদাৰ্থসমূহ আকৌ ঋণাত্মক সঞ্চাৰিত পদাৰ্থ। আমি জানো যে ধনাত্মক সঞ্চাৰিত পদাৰ্থই ঋণাত্মক সঞ্চাৰিত পদাৰ্থক আকৰ্ষণ কৰে। এতেকে পানীত প্ৰস্তুত হোৱা এলুমিনিয়াম হাইড্ৰ'ক্সাইড গধুৰ আৰু বিজলুৱা। সেয়ে ই ওপৰত থাকিব নোৱাৰি তললৈ নামি যায়। ফলত বোকা, বালি জাতীয় পদাৰ্থবোৰ গেছ হিচাপে তলত জমা হয়। সেয়ে ফিট্‌কিৰি দিলে পানী চাফা হয়।

**৩। মানুহ বুঢ়া হ'লে চুলি পকে কিয় ?**

**উত্তৰঃ** আমাৰ চুলিবোৰ কিছুমান কোষেৰে গঠিত। এই কোষবোৰত মেলালিন (Melanin) নামৰ এবিধ পিগমেন্ট বা ৰঞ্জক পদাৰ্থ থাকে। এইবিধ ৰঞ্জক পদাৰ্থৰ বাবেই আমাৰ চুলি ক'লা হয়। কম বয়সত চুলিত মেলালিন সৰহ পৰিমাণে উৎপন্ন হয়। কিন্তু বয়স বাঢ়ি অহাৰ লগে লগে এইবিধ ৰঞ্জক পদাৰ্থ কম পৰিমাণে



উৎপন্ন হয় আৰু পিছলৈ একেবাৰে বন্ধ হৈ পৰে। ফলত আমাৰ চুলিৰ ক'লা ৰংটো হেৰাই বগা হ'বলৈ আৰম্ভ কৰে আৰু ইয়াকে আমি চুলি পকা কওঁ। সেয়ে মানুহ বুঢ়া হ'লে চুলি পকে।

**৪। ঠেলিলে গাড়ী ষ্টাৰ্ট হয় কিয় ?**

**উত্তৰ ঃ** আমি জানো যে গাড়ীত ছুইচ দিয়াৰ লগে লগে ইয়াৰ ইলেকট্ৰিক মটৰ ষ্টাৰ্ট হয়। এই ইলেকট্ৰিক মটৰটোক 'ষ্টাৰ্টাক' বুলিও কোৱা হয়। ইলেকট্ৰিক মটৰটো ষ্টাৰ্ট হোৱাৰ লগে লগে ইঞ্জিনৰ ক্ৰেংক বোলা যন্ত্ৰটো ঘূৰিবলৈ আৰম্ভ কৰে আৰু এইদৰে দহন চন্দ্ৰটো আৰম্ভ হয়। যেতিয়া গাড়ীখনৰ ষ্টাৰ্টাৰ মটৰটোৱে কাম নকৰে বা মটৰটোক শক্তি দিয়া বেটাৰীটো দুৰ্বল থাকে, তেতিয়া গাড়ীখন ষ্টাৰ্ট কৰিব নোৱাৰি। তেনেক্ষেত্ৰত কিবা উপায়েৰে ক্ৰেংকটো ঘূৰাব পাৰিলেই গাড়ীখন ষ্টাৰ্ট কৰিব পৰা যায়। গাড়ীখনৰ যিহেতু গিয়েৰ ছিষ্টেম ক্ৰেংক শ্বেফটৰ লগত সংলগ্ন। সেয়ে গাড়ীখন গিয়েৰত ৰাখি ঠেলা মাৰিলেই অতি সহজে গাড়ীখন ষ্টাৰ্ট হয়। কাৰণ গাড়ীখন ঠেলাৰ লগে লগে চকাৰ গতি শক্তি গিয়েৰ ছিষ্টেমলৈ যায় আৰু গিয়েৰ ছিষ্টেম ক্ৰেংকৰ শ্বেফটো ঘূৰায়। ফলত ইঞ্জিনটো ষ্টাৰ্ট হয়। গতিকে এনেকৈ ঠেলিলে গাড়ী ষ্টাৰ্ট হয়।

**৫। মাটিৰ কলহত পানী চেঁচা হৈ থাকে কিয় ?**

**উত্তৰ ঃ** মাটিৰ কলহত ৰখা পানী ঠাণ্ডা হোৱাৰ মূলতে হৈছে পানীৰ বাষ্পীকৰণ (Evaporation)। কোনো জুলীয়া পদাৰ্থ জুলীয়া অৱস্থাৰ পৰা বাষ্প অৱস্থালৈ যাওঁতে সি পৰিৱেশৰ পৰা বা পাত্ৰটোৰ পৰা তাপ শুহি লয়। ফলত পাত্ৰটো ঠাণ্ডা হৈ পৰে আৰু এনেকৈয়ে প্ৰক্ৰিয়াটো চলি থাকে। সেয়ে পাত্ৰটো আৰু ভিতৰত থকা পানীখিনি ঠাণ্ডা হৈ থাকে।

**৬। কাটি থোৱা আপেল এটা মদৰুৱা ৰঙৰ হৈ পৰে কিয় ?**

**উত্তৰঃ** আমি সকলোৱে জানো যে আপেল এটা কাটি থ'লে কিছু সময়ৰ পিছতে মদৰুৱা ৰঙৰ হৈ পৰে। কাৰণ, আপেলত টেনিন (Tanin) বা টেনিক এচিড (Tannic Acid) নামৰ এবিধ পদাৰ্থ থাকে। ই অক্সিজেনৰ লগত বিক্ৰিয়া কৰে। আপেল এটা কাটি থ'লে আপেলটোত থকা টেনিনসমূহে বায়ুমণ্ডলৰ অক্সিজেনৰ লগত বিক্ৰিয়া কৰে। সেয়েহে আপেল এটা কাটি থ'লে মদৰুৱা ৰঙৰ হৈ পৰে।

**৭। খং, ভয়, উত্তেজনাত মানুহ ঘামে কিয় ?**

**উত্তৰঃ** কেতিয়াবা পৰিৱেশটো গৰম নহ'লেও মানুহ খং, ভয়, উত্তেজনাত ঘামি পৰে। ইয়াৰ কাৰণ হ'ল যে আমাৰ গোটেই দেহটো ছালেৰে আবৃত। এই ছালত অসংখ্য সৰু সৰু গ্ৰন্থি থাকে। এই গ্ৰন্থিবোৰক ঘাম গ্ৰন্থি বুলি কোৱা হয়। এই গ্ৰন্থিবোৰ দুই প্ৰকাৰৰ (১) এক্ৰাইন (Eccrine) আৰু (২) এপ'ক্ৰাইন (Apocrinc)। এক্ৰাইন গ্ৰন্থিয়ে ছালখন আবৃত কৰি ৰাখে আৰু ইয়াতে ঘাম উৎপন্ন হয়। দেহৰ বাহিৰৰ তাপ, মনৰ উত্তেজনা, অনুভূতি আদিয়ে এই গ্ৰন্থিবোৰক বেছি সজাগ আৰু সক্ৰিয় কৰি তোলে। এপ'ক্ৰাইন গ্ৰন্থি কাষলতিৰ তলত বা তলপেটৰ অংশত অৱস্থিত। এই গ্ৰন্থিবোৰ খুব খং উঠিলে বা উত্তেজনা হ'লে বেছি সক্ৰিয় হৈ উঠে আৰু সৰহ পৰিমাণে ঘাম উৎপন্ন কৰে। সেয়ে খং, ভয়, উত্তেজনা আদিতো মানুহ ঘামে।